**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। বি টি চি নিৰ্বাচনৰ প্ৰচাৰৰ সামৰণিলৈ ৩৬ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত বি টি আৰত শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত।

২। সেৱা পৰ্ব উপলক্ষে আজি ৰাজ্যৰ ২০ হাজাৰ বিদ্যালয়ত গছপুলি ৰোপণ কাৰ্যসূচী।

৩। ধাৰাসাৰ বৰষুণৰ ফলত উজনি আৰু মধ্য অসমৰ বহু অঞ্চল বানৰ কবলত।

৪। জনজাতিকৰণৰ দাবীৰে মৰাণ জনগোষ্ঠীয়ে অব্যাহত ৰখা অৰ্থনৈতিক পথ অৱৰোধৰ ফলত উজনি অসমত পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিৰ আশংকা।

*আৰু*

৫। এছিয়া কাপত কালি আফগানিস্তানক হৰুৱাই শ্ৰীলংকাৰ ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ। আজি ভাৰত আৰু ওমান মুখামুখি।

oooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ এদিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নিৰ্বাচনলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ নেতৃত্বই ভোটদাতাক  বিভিন্ন প্ৰকাৰে আকৰ্ষণৰ চেষ্টা চলাইছে। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বাক্সা আৰু ওদালগুৰি জিলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ পাছত আজি মুখ্যমন্ত্ৰীগৰাকীয়ে চিৰাঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। জিলাখনত আজি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। আজি তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ পশ্চিমবংগ তৃণমূল যুৱ কংগ্ৰেছৰ সভানেত্ৰী তথা সাংসদ সায়নী ঘোষে চিৰাঙত প্ৰচাৰ চলাব। বাক্সা জিলাৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত জিলাখনৰ আমাৰ সংবদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে-

***(ভইচ ঃ দামোদৰ তালুকদাৰ)***

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ওদালগুৰি জিলাৰ বিভিন্ন স্থানতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। কালি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্ত্ৰী পীযুষ হাজৰিকাক লগত লৈ জিলাখনত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ ওদালগুৰিৰ সংবাদদাতা নাৰায়ণ ডেকা–

***(ভইচ ঃ নাৰায়ণ ডেকা)***

অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সাজু হৈ উঠিছে। নিৰ্বাচনৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবেও প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। চিৰাং জিলাৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত জিলাখনৰ আয়ুক্ত যতীন বৰাই এইদৰে কয়-

*(ভইচ ঃ যতীন বৰা)*

০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত  সাংবাদিক অৰূপ শান্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০০

সেৱা পৰ্ব উপলক্ষে আজি ৰাজ্যৰ ২০ হাজাৰ বিদ্যালয়ত গছপুলি ৰোপণ কৰা হ'ব। প্ৰতিখন শৈক্ষিক প্ৰতিষ্ঠানত ৭৫টাকৈ গছপুলি ৰোপণ কৰা হ'ব। এই কাৰ্যসূচীত বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ অধ্যক্ষ আৰু সদস্যসকলকে ধৰি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলে অংশগ্ৰহণ কৰিব। বিদ্যালয় কৰ্তৃপক্ষই ৰোপণ কৰা গছপুলিৰ ফটো এই সম্পৰ্কীয় প'ৰ্টেলত আপলোড কৰিব লাগিব। এই কাৰ্যসূচীৰ বাবে ইতিমধ্যে ৰাজ্যজুৰি ৩০ লাখৰো অধিক গছপুলি বিতৰণ কৰা হৈছে।

০০০০০০

সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ ভিন ভিন ঠাইত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে চিকিৎসা শিবিৰ মুকলি কৰিছে। এই শিবিৰত ৫০টাতকৈ অধিক ৰোগৰ বিনামূলীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আটাইকেইটা বিধানসভা সমষ্টিতে কালি এই শিবিৰ মুকলি কৰা হয়। ডিব্ৰুগড়ৰ **চাবুৱাৰ** ডি ডি আৰ মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে।  শ্ৰী সোণোৱালে স্বাস্থ্য শিবিৰ পৰিদৰ্শন কৰি স্বাস্থ্য কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসাৰ অন্যান্য সুবিধাসমূহ থকা এই স্বাস্থ্য শিবিৰে সকলো স্তৰৰ ৰাইজক, বিশেষকৈ মহিলা আৰু শিশুসকলক উপকৃত কৰিব বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

সেৱা পৰ্বৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ খোৱাং মহাবিদ্যালয়ত  কালি ৰক্তদান শিবিৰ তথা এই সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। এই শিবিৰত শিক্ষক, শিক্ষাৰ্থী আৰু অন্যান্য কৰ্মচাৰীকে ধৰি ৫২ জন লোকে ৰক্তদান কৰে। শিৱসাগৰ জিলাত বিধানসভা সমষ্টিভিত্তিত বৃহৎ স্বাস্থ্য মেলাৰ আয়োজন সন্দৰ্ভত কালি জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে এখন সংবাদমেলৰ আয়োজন কৰে। জিলাখনৰ ডিমৌ ৰাজহুৱা খেল-পথাৰত আজি আৰু নাজিৰাৰ চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা ২৬ ছেপ্তেম্বৰত এই শিবিৰৰ আয়োজন কৰা হৈছে বুলি যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে। শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে গৌৰসাগৰ উচ্চতৰ মাধ্যমিক ঔদ্যেগিক প্ৰতিষ্ঠানত চাৰি অক্টোবৰত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

**হোজাই** জিলাতো কালি শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত হয়।

০০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতিৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজি আমি মোদী চৰকাৰে সমগ্ৰ দেশত মহিলা সৱলীকৰণৰ প্ৰক্ৰিয়া শক্তিশালী কৰি তুলিছে সেই বিষয়ে চমু প্ৰতিবেদন আগবঢ়াইছোঁ।

***প্ৰতিবেদন***

০০০০০০

বিগত কেইবাদিনো ধৰি হৈ থকা বৰষুণৰ বাবে উজনি আৰু মধ্য অসমৰ ভালেমান অঞ্চল বানৰ কবলত পৰিছে। শেহতীয়াকৈ বতৰ কিছু ফৰকাল হোৱাৰ বাবে বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও বহু অঞ্চল পানীত বুৰ

গৈ আছে। গোলাঘাট জিলাত চুবুৰীয়া ৰাজ্য নাগালেণ্ডত হোৱা ধাৰাষাৰ বৰষুণ আৰু দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ বাবে জিলাখনৰ মাজেৰে বৈ যোৱা  ধনশিৰি নদীৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। জিলাখনত বৰ্তমানলৈকে বানৰ ফলত ১২২ খন গাঁৱৰ ২৪ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বান প্ৰভাৱিত লোকসকলৰ বাবে ৪২ টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। জিলাখনৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে কাইলৈৰ পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰি নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে। একেদৰে জিলাখনৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাসমূহো পিছুৱাই দিয়া হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশনা ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মধ্য অসমৰ নগাঁও জিলাৰ কলিয়াবৰ আৰু  চামগুৰি ৰাজহ চক্ৰৰ পাহাৰৰ দাঁতি কাষৰীয়া ২২ খন গাঁও বানৰ কবলত পৰিছে।  পাহাৰত কেইবাদিনো ধৰি হৈ থকা বৰষুণৰ ফলত কালাপানী, ডিজু আদি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ বাবে এই গাঁওকেইখন বানৰ কবলত কৰিছে। জিলাখনৰ বান প্ৰভাৱিত লোকসকলৰ বাবে আশ্ৰয়শিবিৰ স্থাপন কৰা হৈছে আৰু খাদ্য সামগ্ৰী বিতৰণৰ দিহা কৰা হৈছে। ৰাজহ মন্ত্ৰী কেশৱ মহন্তই কালি কলিয়াবৰৰ বান প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰে আৰু পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বান পীড়িতসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০

মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত যোৱা ১৫ ছেপ্তেম্বৰৰ পৰা চলি থকা অৰ্থনৈতিক পথ অৱৰোধৰ ফলত উজনি অসমত  পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিৰ আশংকা কৰা হৈছে। পথ অৱৰোধৰ ফলত গেছ, তেল আৰু ইন্ধন পৰিবাহী ভালেসংখ্যক টেংকাৰ আবদ্ধ হৈ আছে। প্ৰতিবাদৰ ফলত অইল ইণ্ডিয়াৰ উৎপাদন আৰু পৰিবহণ প্ৰায় স্থবিৰ হৈ পৰাত বহু পেট্ৰল পাম্পো বন্ধ হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় জিলাৰ তেল ডিপোসমূহত কালি আবেলিৰ পৰা মাজনিশালৈ গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হয়। বহু ঠাইত ৰন্ধন গেছৰো নাটনি হৈছে। এই সন্দৰ্ভত আমাৰ তিনিচুকীয়া জিলাৰ সংবাদদাতা মনোৰঞ্জন মৰাণে এইদৰে কয় –

বাইট

০০০০০০

শ্ৰীলংকাই যোৱা নিশা আবুধাবিত অনুষ্ঠিত এছিয়া কাপ টি ২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰি ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰে। শ্ৰীলংকাই ১৭০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৪ টা বলত চাৰিটা উইকেট হেৰুৱাই ১৭১ ৰান কৰে। শ্ৰীলংকাৰ হৈ কুশল মেণ্ডিজে ৫২ টা বলত ৭৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ আগেয়ে আফগানিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ১৬৯ ৰান কৰে। আফগানিস্তানৰ মহম্মদ নবীয়ে ২২ টা ৬০ ৰান কৰে। শ্ৰীলংকাৰ কুশল মেণ্ডিজক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোওণা কৰা হয়।

এই জয়ৰ সুবাদত শ্ৰীলংকাৰ গ্ৰুপ বিৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। গ্ৰুপটোত অন্তৰ্ভুক্ত বাংলাদেশেও তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পৰৱৰ্তী পৰ্যায়ৰ স্থান নিশ্চিত কৰিছে। প্ৰতিযোগিতা আজি আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

News Paper REV/RNU (19-09-2025) MORN

মৰাণৰ অৰ্থনৈতিক অবৰোধৰ বাবে উজনি অসমত সৃষ্টি হোৱা হাহাকাৰ পৰিস্থিতি, বি টি চি নিৰ্বাচনৰ প্ৰচাৰ অভিযান, এ চি এছ বিষয়া নুপুৰ বৰাৰ বৰপেটা ৰোডৰ লকাৰত ২৩ লাখ ৭৫ হাজাৰ নগদ ধন ওলোৱাৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে স্থান লাভ কৰিছে।

বি টি চিৰ পৰিষদীয় নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় ৩১ লাখৰো অধিক বেলট কাকতৰ ভিতৰত ২৩ লাখৰো অধিক বেলট কাকত ব্যক্তিগত ছপাশালত ছপা কৰা বুলি দাবী কৰি **অসমীয়া প্ৰতিদিন** কাকতে ব্যক্তিগত ছপাশালত ছপাইছে বেলট শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে প্ৰধানমন্ত্ৰী মোদীৰ ৭৫ সংখ্যক জন্মদিন উপলক্ষে কালি ডিব্ৰুগড়ত এটা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰা বাতৰিক আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। চেণ্ট্ৰেল এম্পাৱাৰ্ড কমিটীয়ে উচ্চতম ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনত ইউ এছ টি এমে ২৫ দশমিক ৭ -৫ হেক্টৰ বনভূমি অবৈধভাৱে দখল কৰাৰ তথ্য পোহৰলৈ অহাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। **আমাৰ অসম** কাকতে অসম সন্তান গৌৰাংগলাল দাসে দক্ষিণ কোৰিয়াৰ নতুন ৰাষ্ট্ৰদূত ৰূপে নিযুক্তি লাভ কৰাৰ বাতৰিক আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে বৰপেটা ৰোডত থকা এছ বি আইৰ লকাৰত এ চি এছ বিষয়া নুপুৰ বৰাৰ ২৩ লাখ ৭৫ হাজাৰ টকা ওলোৱাৰ বাতৰিক শেষ হোৱা নাই নুপুৰ আখ্যান। বেংকৰ মাত্ৰ এটা লকাৰতে ২৩ লাখ ৭৫ হাজাৰ – একাধিক স্থানত গোপন ধন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠনে অব্যাহত ৰখা প্ৰতিবাদৰ বাবে উজনি অসমত হাহাকাৰ সৃষ্টি হোৱাৰ বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে মাওবাদীয়ে কেন্দ্ৰীয় চৰকাৰৰ সৈতে পুনৰ যুদ্ধ বিৰতি আৰু শান্তি চুক্তি বিচৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি ভোট চুৰিৰ বিষয় লৈ আক্ৰমণ তীব্ৰতৰ কৰি মুখ্য নিৰ্বাচন আয়ুক্তই গণতন্ত্ৰক ধবংস কৰাসকলক ৰক্ষণাবেক্ষণ দিয়া বুলি উত্থাপন কৰা অভিযোগৰ জেৰ টানি এটা বাতৰি প্ৰকাশ কৰিছে। ভাৰতীয় চাহৰ ৰপ্তানি মূল্য জানুৱাৰীৰ পৰা জুনলৈকে যোৱা বছৰৰ তুলনাত ১৫ দশমিক ৮ - ৯ শতাংশ বৃদ্ধি পোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত